শিক্ষাবিদ ৺শশী শৰ্মা



শ্ৰীবিনন্দ ৰুকবা

যোৰহাট অভিযান্ত্রিক মহাবিদ্যালয়ৰ

প্ৰাক্তন অধ্যক্ষ, শিক্ষাবিদ,

প্ৰয়াত শশী শৰ্মা

বৰদা হুকন পথ

ৰজামৈদাম, যোৰহাট, ৭৮৫০০১ শ্ৰীবিমল বৰুৱা

Educationist, Late Shanti Sarma, an ex-Principal, Jorhat Engineering. College. A Short biography written and published by Shri Binanda Baruah, B. A. Barada Phukon Road, Rajamaidam, Jorhat-785001

প্ৰকাশক :—

শ্ৰীবিনন্দ বৰুৱা—বি, এ,

বৰদা ফুকন পথ

ৰজামৈদাম

যোৰহাট-৭৮৫০০১

প্ৰথম প্ৰকাশ :— ১৯৮৬

মূল্য : [illegible] টকা মাত্ৰ

মুদ্ৰক :- অমৰা প্ৰিন্টিং হাউচ

যোৰহাট-৭৮৫০০১

শুভেচ্ছা

যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ প্ৰয়াত অধ্যক্ষ শশী শৰ্ম্মাদেৱৰ সোঁৱৰণীত প্ৰস্তুত কৰি উলিওৱা এই পুস্তিকা খনিয়ে ক্ষণজন্মা পুৰুষজনৰ ঐহিক জীৱনৰ কেইবাটাও দিশত আলোকপাত কৰিছে। ৺শৰ্ম্মাদেৱ আছিল প্ৰতিভাপন্ন, গুণী, অমায়িক, সৰবৰহী পুৰুষ। মহাবিদ্যালয়খনত প্ৰতিষ্ঠাৰ সময়ৰ পৰা প্ৰায় ২৫ টা বছৰ বিভিন্ন স্তৰত সুখ্যাতিৰে অতিবাহিত কৰা কৰ্ম্মজীৱনত তেখেতে নিজস্ব ভালেখিনি অৱদান আগবঢ়াই অনুষ্ঠান খনৰ সৌষ্ঠৱ বৃদ্ধি কৰাই অভিযান্ত্ৰিক শিক্ষা দান আৰু প্ৰচাৰ ক্ষেত্ৰত অভিলেখ স্থাপন কৰাৰ লগতে সমাজকল্যাণ, সাহিত্য সেৱা আদি ক্ষেত্ৰতো তেখেতৰ অৰিহনা আছিল উল্লেখযোগ্য। এনে এজন একনিষ্ঠ কৰ্ম্মযোগী, কীৰ্ত্তিমান পুৰুষৰ জীৱনৰ আহিঁয়ে উত্তৰ পুৰুষসকলৰ বহুতকেই ভৱিষ্যত জাতীয় জীৱনত বৰঙনি যোগোৱাবলৈ অনুপ্ৰাণিত কৰে। আশাকৰো শ্ৰীমান বিনন্দ বৰুৱাৰ এই লিখনিয়ে ৺শৰ্ম্মাদেৱৰ কৰ্ম্মময় জীৱনৰ আভাস দানত সফলকাম হ'ব। তেওঁৰ এই আশাশুধীয়া প্ৰচেষ্টা সচাকৈয়ে প্ৰশংসনীয়।

[illegible]

স্বৰ্গীয় শশী শৰ্ম্মাদেৱৰ আদ্যশ্ৰাদ্ধৰ শ্ৰদ্ধাঞ্জলি জনাই লিখা ইতিপূৰ্বে দৈনিক অসম আৰু অসম ট্ৰিবিউণৰ ১৯৮৫ চনৰ ১০ আগষ্টৰ সংখ্যাত প্ৰকাশিত প্ৰবন্ধটিকে যোগ বিয়োগ কৰি অতি লৰালৰিকৈ টৌতে খৰ মাৰি ভূক্কাত হাঁতী ভৰোৱা প্ৰয়াসেৰে কিতাপ আকাৰে প্ৰকাশ কৰোতে কোনোবাখিনিত বহুটা টুটা হ'ব পাৰে। তাৰ কাৰণে প্ৰথমতে ক্ষমা বিছাবিছো।

যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাতা অধ্যক্ষ অসমৰ কাৰিকৰি শিক্ষা বিভাগৰ প্ৰাক্তন সঞ্চালক, শিক্ষাবিদ, সমাজসেৱক, ভাষা সাহিত্যৰ সেৱক, বজামৈদাম সাহিত্য সভাৰ সক্ৰিয় সদস্য তথা পৰামৰ্শদাতা যোৰহাটৰ প্ৰসিদ্ধ নাগৰিক শ্ৰদ্ধেয় শ্ৰীহৰেন্দ্ৰ নাথ বৰুৱা ডাঙৰীয়াই বহুমূলীয়া দিহাপৰামৰ্শ তথা এটি শুভেচ্ছাবাণী প্ৰদান কৰি এইক্ষেত্ৰত যথেষ্ট সঁহাৰি জনোৱাৰ বাবে তেখেতলৈ কৃতজ্ঞতা জনাইছো। অসমীয়া ভাষা সাহিত্যৰ একনিষ্ঠ সেৱক, বজামৈদাম সাহিত্য সভাৰ সক্ৰিয় সদস্য, বন্দুকবৰী সাহিত্য সভাৰ সম্পাদক আৰু সমাজসেৱক, শ্ৰদ্ধেয় শ্ৰীজিতেন্দ্ৰ নাথ শইকীয়াদেৱে ব্যস্ততাৰ মাজতো নানা দিহা পৰামৰ্শৰে আপ্যায়িত কৰাৰ বাবে তেখেতৰ প্ৰতিও কৃতজ্ঞ হৈছো। প্ৰয়াত অধ্যক্ষ শৰ্মা ডাঙৰীয়াৰ পৰিয়ালৰ লোকসকলে শোকসাগৰত ডুবি থকা অৱস্থাতো শিক্ষাবিদ গৰাকীৰ বিষয়ে অজানিত কিছু কথাৰ সম্ভেদ দিয়াত তেখেত সকলৰ প্ৰতিও কৃতজ্ঞ হৈছো। যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ ৰূপালী জয়ন্তী উৎসৱ সমিতিৰ সভাপতি শ্ৰদ্ধেয় শ্ৰীসমুদ্ৰ দেৱ ফুকন ডাঙৰীয়া আৰু

মহাবিদ্যালয়ৰ অধ্যাপক, জয়ন্তী উৎসৱৰ সম্পাদক শ্ৰদ্ধেয় ডঃ শ্ৰীমাধৱ বৰা দেৱ প্ৰমুখ্যে জয়ন্তী উৎসৱৰ কৰ্মকৰ্তা সকলে কিতাপখন ৰূপালীজয়ন্তী উৎসৱত উন্মোচন কৰিবলৈ লোৱাৰ বাবে সকলোলৈকে কৃতজ্ঞতা জনাইছো। কৃতজ্ঞ হৈছো মহাবিদ্যালয় খনিৰ প্ৰবিন কৰ্মচাৰী অগ্ৰজ প্ৰতিম শ্ৰদ্ধেয় শ্ৰীমোহন গগৈ দেৱ প্ৰমুখ্যে সমূহকৰ্মী বৃন্দ ছাত্ৰ-ছাত্ৰী সকল তথা গড়মূৰ অঞ্চলৰ বাসিন্দা শ্ৰীআনন্দ শৰ্মালৈ তেখেতসকলৰ সহায় সহানুভূতিৰ বাবে সদৌ শেষত যোৰহাট অন্নদা প্ৰিন্টিং হাউছৰ পৰিচালন সঞ্চালক শ্ৰীপাৰ্বতী প্ৰসাদ বৰকটকী দেৱ, প্ৰেছৰ কৰ্মচাৰী বৃন্দই অতি তৎপৰতাৰে কিতাপখন ছপাখানাৰ পৰা উলিয়াই দি বিশেষ ভাবে জনোৱা সহাঁৰিৰ বাবেও কৃতজ্ঞতা জনাইছো। পৰিবাৰ শ্ৰীমীৰা বৰুৱাই জনোৱা সহাঁৰিৰ বাবেও ধন্যবাদ জনাইছো।

বজালৈদাম, যোৰহাট-১ — শ্ৰীবিনন্দ বৰুৱা

৮ জানুৱাৰী ১৯৮৬ চন

শশী শৰ্মাৰ জন্ম হৈছিল ১৯৩১ চনত নগাৱঁত। তেখেতৰ দেউতাকৰ নাম আছিল স্বৰ্গীয় অমল চন্দ্ৰ শৰ্মা আৰু মাকৰ নাম আছিল শ্ৰীলীলাৱতী দেৱী। আদিতে তেখেত সকলৰ পূৰ্ব্বপুৰুষ সকলৰ ঘৰ আছিল গোলাঘাটত। দেউতাক ৺অমল চন্দ্ৰ শৰ্মাই নগাৱঁৰ কাছাৰীত পেস্কাৰৰ চাকৰি কৰিছিল। সেয়ে তেখেতে কালক্ৰমত নগাৱঁৰ আমোলাপট্টিত স্থায়ীভাবে বসবাস কৰিবলৈ লয়। স্বৰ্গীয় অমল চন্দ্ৰ শৰ্মাৰ চাৰি গৰাকী কণ্যাসন্তান আৰু তিনি জন পুত্ৰ সন্তানৰ ভিতৰত শশী শৰ্মা আছিল লৰাৰ ভিতৰত প্ৰথম। শৰ্মাদেৱৰ শিক্ষাজীৱন আৰম্ভ হয় নগাৱঁতে। প্ৰাথমিক বিদ্যালয়ত সুখ্যাতিৰে শিক্ষা লাভ কৰি নগাৱঁৰ চৰকাৰী উচ্চ ইংৰাজী বিদ্যালয়ৰ পৰা ষ্টাৰ সহ ১৯৪৯ চনত প্ৰবেশিকা পৰীক্ষা পাছ কৰে। নগাওঁ মহাবিদ্যালয়ৰ পৰা ১৯৫১ চনত 'গুৱাহাটী বিশ্ববিদ্যালয়ৰ' আই, এছ,ছি পৰীক্ষাত ষষ্ঠ স্থান লাভ কৰি পাছ কৰে। আই, এছ, চি, পৰীক্ষা পাছ কৰি শশী শৰ্মাই যাদৱপুৰত ইঞ্জিনিয়াৰীং পঢ়িবলৈ ইচ্ছা কৰে। কিন্তু দেউতাকৰ আৰ্থিক অৱস্থা তেতিয়া সিমান ভাল নহয়। সাধাৰণ এটি চাকৰিতে এখন ঘৰৰ সাতোটা লৰাছোৱালীক পঢ়া-শুনা কৰোৱাটো আৰু পৰিয়াল ভৰণ পোষণ দিয়াটো সহজ কথা নহয়। তথাপি পুতেক শৰ্মাৰ ইঞ্জিনিয়াৰীং পঢ়াৰ অদম্য হেপাঁহত তেখেতে বাধা দিবলৈ আৰু নোৱাৰা পালে। অৱশ্যে নিজৰ মেধাবী গুণৰ বাবে ছাত্ৰ অৱস্থাত শশী শৰ্মাই সদায় জলপানী (Scholarship)

লাভ কৰিবলৈ সমৰ্থ হৈছিল। আৰ্থিক অনাটনৰ টনা আজোৰাৰ মাজতে ৺অমল চন্দ্ৰ শৰ্মাই পুতেকক যাদৱপুৰত ইঞ্জিনিয়াৰীং পঢ়াবলৈ পঠালে। ইফালে কিন্তু সেউতাকে এসাজ খাই এসাজ নোখোৱাকৈয়ে হয়টো পৰিয়াল ভৰণ পোষণ দি বৰ পুতেকক ইঞ্জিনিয়াৰ কৰালে। ১৯৫৫ চনত শশী শৰ্মাই মেকানিকেল ইঞ্জিনিয়াৰীংত প্ৰথম শ্ৰেণীৰ প্ৰথম হৈ স্নাতক ডিগ্ৰী লাভ কৰে।

শশী শৰ্মাই চাকৰি জীৱন আৰম্ভ কৰে, প্ৰথমতে নগাওঁত ই এণ্ড দি (E & D) বিভাগত সহকাৰী অভিযন্তা হিচাবে। সেই বিভাগত কিছুদিন চাকৰি কৰাৰ পিচত শ্বিলঙত বইলাৰ পৰিদৰ্শক (Boiler Inspector) হিচাবে নিযোগ পোৱাত সেই পদত যোগদান কৰে। শৰ্মাৰ মতে সেই চাকৰিটো আছিল বাইজৰ অতি খাতিৰ বাতিৰৰ আৰু বৰ ব্যস্ততাপূৰ্ণ। ঘৰত প্ৰায়ে থাকিবলৈ নাপাইছিল। অ'ত ত'ত ঘুৰাপকা কৰিব লগা হয়। খাতিৰ বাতিৰ বেছি হোৱা পদবীত সাধাৰণতে বাহিৰা সা-সুবিধাও যথেষ্ট হয়। টকা পইচাৰ কোনো অভাৱ নাই। কিন্তু শৰ্মাই সেই চাকৰি কৰি মুঠেও শান্তি পোৱা নাছিল। টকা-পইছা বা অন্যান্য সা-সুবিধাই তেখেতৰ মন ভলাব পৰা নাছিল। কিয়নো প্ৰকৃততে শৰ্মা আছিল এ.গৰাকী শিক্ষক। শিক্ষকতাৰ ফালেহে তেখেতৰ মন চাল খালে। সেই সময়তে যোৰহাটত অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ ক্ৰমণে সহকাৰী অধ্যাপকৰ বিজ্ঞাপন দেখি মেকানিকেল বিভাগৰ সহকাৰী অধ্যাপকৰ পদৰ বাবে আবেদন কৰে আৰু কিছুদিনৰ

পিছত সেইমতে যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ মেকানিকেল বিভাগৰ সহকাৰী অধ্যাপক পদত নিযুক্তি পায়। ১৯৬০ চনত সেই পদত যোগদান কৰে। শৰ্মাই মেকানিকেল বিভাগৰ তেতিয়া একমাত্ৰ সহকাৰী অধ্যাপক আছিল। আনহাতে অন্য বিভাগ বিলাকতো মাত্ৰ কেইজনমান শিক্ষকেহে যোগদান কৰাত শৰ্মা ডাঙৰীয়াই নিজৰ বিষয়ত পাঠ দান কৰাৰ উপৰিও প্ৰশাসনীয় দিশৰো ভালেখিনি কাম আৰম্ভনিতে কৰিব লগা হৈছিল। তেখেতে যিকোনো কামকে নকৰক লাগে তাক অতি নিষ্ঠা সহকাৰে আন্তৰিকতাৰে কৰিছিল। শিক্ষকতা তথা আন গধুৰ দায়িত্ব বহন কৰাৰ উপৰিও যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়ত সমবায় ভাঁড়াৰ, সমবায় কৃষি আদি কামবোৰো তেখেতৰ যত্নতে মহাবিদ্যালয়ত এসময়ত প্ৰতিষ্ঠিত হৈছিল। আৰু তেখেতে অতি নিষ্ঠাসহকাৰে সেইবোৰ ভালেদিন পৰিচালনা কৰা দেখা গৈছিল। সমবায় ভাণ্ডাৰত বহি থাকোতে গ্ৰাহকক যিকোনো বস্তু তেখেতে পাল্লাত জুখি দিবলৈও কেতিয়াও দ্বিধা বোধ কৰা দেখা নগৈছিল। যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয় খনিৰ আৰম্ভতে শশী শৰ্মাদেৱে সেই সময়ৰ ভাৰপ্ৰাপ্ত প্ৰতিষ্ঠাপক অধ্যক্ষ শ্ৰদ্ধেয় শ্ৰীযুক্ত হৰেন্দ্ৰ নাথ বৰুৱাদেৱৰ লগত লগ লাগি প্ৰায়ে কাৰখানাৰ (Work Shop) মেচিন বিলাক নিজ নিজ স্থানত বহুৱাই অতি বৰ সহকাৰে, নিষ্ঠাৰে সৈতে নিজৰ দায়িত্ব পালন কৰা দেখা গৈছিল। শৰ্মা ডাঙৰীয়া আছিল Jack of all trades, কিন্তু master of none নহয়। ১৯৬২ চনত চাকৰি এৰি দেশ ...

গঠন কৰা সময়ত এন, চি, চিৰ প্ৰশিক্ষণ লোৱাটো প্ৰায়ে সকলোৰে কাৰণে বাধ্যবাধকতা হৈছিল। গতি শৰ্মাদেৱে এনেন ছাত্ৰতকৈও বেছি আগৰুৱা আৰু তুলিবে সেইসময়ত সেই প্ৰশিক্ষণ লোৱা দেখা গৈছিল। আনকি সেই সময়ত বাতিৰ পৰা সন্তৰণৰ বিপদ আপদৰ পৰা ৰক্ষা পাবৰ কাৰণে সাঁতোৰ শিকা ৰক্ষা, পৰীক্ষাৰ বা অনাথৰ [illegible] বিবাকৰ আইনাত নাই কাগজ লগাতি ইচাং বাতিৰ পৰা বিপদৰ পৰা ৰক্ষা পাবলৈ বিধিনি প্ৰাৰম্ভিক ব্যৱস্থা। সেই সময়ত চৰকাৰৰ নিৰ্দেশ মতে কৰিব লগা হৈছিল সেই সকলো বোৰতে তেখেতে আগৰণুৱা হৈ তৎপৰতাৰে সেই কামবোৰ কৰিছিল। মহাবিদ্যালয়ৰ মূল প্ৰশাসনীয় ভৱনটোত বহু ব্যক্তিলৈকে তেখেতে মানুহ লগাই নিজেও অতি ব্যস্ত হৈ নাচিত ধৰফৰকৈ বাতিৰ ভিতৰতে গড় বন্ধাৰ দৰে শৰ্মা ডাঙৰীয়াইয়ো বাতিতে সেই কামবোৰ কৰিহে শান্তি পাইছিল। অধ্যাপক শৰ্মা মানুহজন কাম-কাজত যেনে আছিল আনবোৰ তেনে হোৱাটো বিচাৰিছিল। নহ'ব, নোৱাৰিম কথা তেখেতৰ মুখত কেতিয়াও নোলাইছিল। আনৰ পৰাও তেনে প্ৰত্যুত্তৰ নিবিচাৰিছিল। গাটিৰ দম ভাঙি তেখেতে শৰীৰে কামৰ মজিত চাই তামোল খাইছিল আৰু আনকো খুৱাই তৃপ্তি লাভ কৰিছিল। অতি কঠিন কামটো সহজ, সৰল ভাবে সমাধা কৰিবলৈ তেখেত সক্ষম হৈছিল।

শৰ্মা ডাঙৰীয়াই ১৯৬০ চনৰ পৰা যোৰহাট [illegible] [illegible] [illegible] বিভাগৰ সহকাৰী অধ্যাপক হৈ [illegible] [illegible] নিযুক্ত [illegible] [illegible] [illegible] [illegible] [illegible]

বাবে চৰকাৰী অনুদান লাভ কৰি ইংলণ্ডলৈ যায়। ১৯৬৮ চনত মানচেষ্টাৰ বিশ্ববিদ্যালয়ৰ পৰা প্ৰথম শ্ৰেনীৰ প্ৰথম হৈ এম এছ, ছি ডিগ্ৰী লাভ কৰি ১৯৬৯ চনত যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ মেকানিকেল বিভাগৰ অধ্যাপক আৰু বিভাগীয় মুৰব্বী হয়হি। এজন শিক্ষক হিচাবে অধ্যাপক শৰ্মাৰ পাঠদানৰ ব্যৱস্থা সকলো ছাত্ৰ-ছাত্ৰীৰ অতি আদৰণীয় আছিল। আনহাতে গহীন, গম্ভীৰ, অল্পভাষী শৰ্মা ডাঙৰীয়া এক বেলেগ ব্যক্তিত্বৰ অধিকাৰী আছিল। তেখেতৰ কৰ্ত্তব্য-নিষ্ঠা আৰু একাগ্ৰতাৰ বলত দোপত দোপে উন্নতি কৰি প্ৰথমতে ১৯৭৭ চনত যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়ত অধ্যক্ষ পদত অস্থায়ী ভাবে কিছুদিন কাৰ্য্যনিৰ্বাহ কৰে যদিও পিছত ১৯৭৮ চনতহে স্থায়ী ভাবে অধ্যক্ষ পদত অধিষ্ঠিত হয়। তেখেত আছিল যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ ষষ্ঠ গৰাকী অধ্যক্ষ।

সহজ, সৰল অনাৰম্বৰ শশী শৰ্মা মানুহজন আছিল, প্ৰকৃত শিক্ষাবিদ, গুণী জ্ঞানী আৰু প্ৰতিভাবান ব্যক্তি। তেখেত আছিল কৰ্মযোগী। কাম কৰি তেখেতে ভাল পাইছিল। কামে কেতিয়াও তেখেতক আমুৱা নাছিল। কিবা এটা কৰি থাকিবলৈ নাপালেহে তেখেতে ভাল নাপাইছিল। প্ৰতিটো কামতে তেখেত বৰ চিৰিয়াচ আছিল। 'Work is workshop' এই মূল্যবান তত্বপূৰ্ণ কথাষাৰ তেখেতে আখৰে আখৰে যেন পালন কৰিছিল। যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়ত যি কোনো পৰ্যায়ৰে নিত্য নৈমিত্তিক কৰ্ত্তব্যৰ গধুৰ দায়িত্ব সুচাৰুৰূপে নিয়াৰিকৈ

নিষ্ঠাবে পালন কৰাৰ উপৰিও শৰ্মা ভাঙৰীয়াই গড়মূৰ, ন-পাম, ছুলীয়া গাঁও, কেন্দুগুৰী, চাৰিগাওঁ তথা যোৰহাট নগৰৰ প্ৰায়বিলাক ৰাজহুৱা অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত নিজকে সদায় ওতঃ প্ৰোতঃ ভাৱে জড়িত কৰি ৰাখিবলৈ পালেহে তেখেতে অন্তৰৰ পৰা ভাল পাইছিল। গড়মূৰ সাহিত্য সভাৰ তেখেত আছিল প্ৰতিষ্ঠাতা সভাপতি। ১৯৭০ চনৰ ডিচেম্বৰ মাহত যোৰহাট গড়মূৰ শাখা সাহিত্য সভা গঠন হৈছিল। ১৯৮১ চনত ন-পাম গাওঁৰ বন্ধুৱা বস্তিত ছুলীয়াপাম শাখা সাহিত্য সভা নামেৰে আন এখন শাখা সাহিত্য সভা গঠন হয়। অধ্যক্ষ শশী শৰ্মা দেৱৰ বৰঙনীও ইয়াৰ বাবে কম নাছিল। ১৯৮২ চনৰ ১০ অক্টোবৰত যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা শিৱসাগৰ জিলা সাহিত্য পৰিষদৰ ষষ্ঠ লেখক শিবিৰৰ অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল শশী শৰ্মাদেৱ। আদৰণী সভাৰ সভাপতি হিচাবে তেখেতৰ অভিভাষণ খন আছিল চমু অথচ উৰুগধূৰ। অসমীয়া ভাষা সাহিত্য কৃষ্টি-সংস্কৃতিৰ প্ৰতি তেখেতৰ যি থাউতি আৰু ইয়াৰ উন্নতিৰ অৰ্থে তেখেতে যিখিনি পৰামৰ্শ আন্তৰিকতাৰে অভিভাষণখনিত আগবঢ়াইছে সেয়া অসমীয়া ভাষা সংস্কৃতিলৈ এক মূল্যবান সম্পদ। অভিভাষণ খনিত গড়মূৰ অঞ্চলৰ ঐতিহ্য ভৌগলিক বিৱৰণ খুউব ধুনীয়াকৈ দাঙি ধৰিবলৈ তেখেত সক্ষম হৈছে। তাবোপৰি আমাৰ সমাজত দেখা দিয়া অন্যয়া অপ্ৰীতিৰ কথা উল্লেখ কৰি সমাধানৰে কৰ্মত যেন যুৱে ধৰিছে তাৰ প্ৰতি তেখেতে

সঞ্জাগ কৰি দিছিল এনে দৰে। ......"হঠাতে আমাৰ মাজত বাক্সোন বিলাকত ফুলে ধৰিছে আৰু ফলস্বৰূপে আমি ইজনে সিজনক সন্দেহ কৰিবলৈ আৰম্ভ কৰিছো। বহুতবে মনত অহং ভাবে স্থিতি লাভ কৰাত নিজৰ সমাজখনক ভাঙোন-মুখী কৰিবৰ প্ৰয়াস কৰিছো।" আকৌ তেখেতে কৈছিল "আমাৰ অসম দেশত মহাপুৰুষ শঙ্কৰদেৱে সাহিত্য সংস্কৃতিৰ যি সমন্বয়ৰ সেতু ৰচনা কৰিছিল আৰু সাহিত্য আৰু সংস্কৃতিক গণমুখী কৰণত যি নিপুণতাৰ পৰিচয় দিছিল এতিয়া আমাৰ মাজত তাৰ সামান্য প্ৰভাবো নোহোৱা হৈ পৰিছে। এতিয়াও আমাৰ মাজত উচ্চ-নীচৰ পৰা আৰম্ভ কৰি নানা জাত-কুলৰ বিচাৰতহে ব্যস্ত থকাত নিজৰ অস্তিত্ব বজাব কাৰণে হাবাথুৰি খাব লগাত পৰিছেহি। ইয়াৰ বাবে কোন দোষী তাৰ বিচাৰ বাইজে কৰিব লাগিব আৰু বাইজে তাৰ প্ৰতিকাৰো বিচাৰি উলিয়াব লাগিব। সেয়ে নহয় তেখেতে আক্ষেপ কৰি আকৌ কৈছে যে সাহিত্যসভাৰ নিচিনা অনুষ্ঠানত ৰাজনীতিৰ প্ৰবেশ ঘটিল আৰু তাৰ ফলশ্ৰুতি আমি আমাৰ পাঠ্য পুথি প্ৰণয়নত সম্পূৰ্ণ ভাবে দেখা পালো। আজিৰ যুৱক সকলে আমাৰ অসমৰ বুৰঞ্জী নতুনকৈ শিকিব লগা হৈছে আমাৰ ভাষা-কৃষ্টি সংস্কৃতি জানিবলৈ বুজিবলৈ কষ্ট স্বীকাৰ কৰিব লগাত পৰিছে, স্বাধীনতাৰ পিচৰে পৰা আমাৰ অসমীয়া সাহিত্যৰ দুৰ্দিন চাপি আহিল আৰু আমি নিজৰ স্বাস্থি আৰু ভাষাক জীয়াই ৰাখিবলৈ এতিয়া সংগ্ৰাম কৰিব লগা হৈছে। অসম সাহিত্য সভাৰ জাতীয় ন্যাস পুঁজিৰ কথা

গুৰুত্ব সহকাৰে উপলব্ধি কৰি তেখেতে কৈছিল "ভাৰতীয় ন্যাস গঠনৰ সংজ্ঞেদি, ৰাজনীতিৰ বহু ভেদ ভুলিবলৈ যি প্ৰয়াস কৰা হৈছে, সেই মহান উদ্দেশ্যৰ মন্ত্ৰে বলীয়ান হৈ আপোনালোক অগ্ৰণী সাহিত্য সেবীৰ প্ৰতি আমাৰ অনুৰোধ আপোনালোকে আমাৰ ভাষা কৃষ্টি জীয়াই ৰাখিবলৈ বাট দেখুৱাই দিয়ক, আমাৰ ঐতিহ্যৰ চানেকি উঠি অহা চামক জানিবলৈ শিকিবলৈ পথ প্ৰশস্ত কৰি দিয়ক তেতিয়াহে এনেকুৱা লেখক সমাবেশ আৰু অনুৰূপ অনুষ্ঠান বিলাক অৰ্থবহ হব।" চিৰচেনেহী ভাষা জননীৰ অসম সাহিত্যসভাৰ প্ৰতি কিমান শ্ৰদ্ধা আৰু ইয়াৰ উন্নতিৰ অৰ্থে যে দেহে কেহে চিন্তা কৰিছিল সেই কথা প্ৰমাণ কৰে তেখেতৰ এইখিনি কথাৰ পৰায়...."এই পবিত্ৰক্ষণত আপোনা-লোকক আদৰণি জনোৱাৰ লগতেই অনুৰোধ জনাইছো অসম সাহিত্য সভাক দৃঢ় পদক্ষেপেৰে আগুৱাই যাবলৈ আপোনালোকে সহায় সহযোগ তথা নেতৃত্ব দিয়ক। অসমৰ সকলো ব্যক্তিকেই সাহিত্য সভাৰ পতাকাৰ তলত থিয় কৰি একত্ৰিত কৰক। আপোনালোকৰ প্ৰদৰ্শিত পথেৰেই আমি দেশৰ মাতৃৰ সেৱাত অগ্ৰসৰ হম।" অসমীয়া ভাষা সাহিত্যৰ একনিষ্ঠ সেৱক অধ্যাপক শৰ্মা আজীৱন [illegible] এজন প্ৰখ্যাত সমাজ সেৱকো। গুৱাহাটী [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] পালত। সেই [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] কৰি [illegible] [illegible] [illegible] অনুপ্ৰাণীত

কৰিছিল। শৰ্মা ডাঙৰীয়াই আগভাগ লোৱাৰ বাবে ১৯৮৩ চনৰ পৰা যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ চৌহদত শ্ৰীশ্ৰীদুৰ্গাপূজা ৰাজহুৱাভাৱে উদযাপন কৰা হৈ আহিছে। তেখেতৰ উদ্দেশ্য আছিল সেই অঞ্চলৰ ভালে খিনি লোকে হয়টো দূৰৈত গৈ পূজা চোৱা বা অংশ গ্ৰহণ কৰিবলৈ অসুবিধা হয়, সেয়ে সেই অঞ্চলতে শ্ৰীশ্ৰীদুৰ্গা পূজাভাগ অনুষ্ঠিত হোৱাত প্ৰকাৰন্তৰে সেই অঞ্চলৰ ৰাইজৰ যথেষ্ট সুবিধা হৈছে। সেয়ে নহয় তেখেতে অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ চৌহদত সকলো ধৰ্মৰ মানুহে সমানে অংশগ্ৰহণ কৰিব পৰাকৈ এটি নামঘৰ সজাৰো পৰিকল্পনা কৰিছিল। ধৰ্মৰ প্ৰতিও যে তেওঁতৰ প্ৰবল ধাউতি আছিল তাকে ই স্পষ্টকৈ প্ৰমাণ কৰে। শ্ৰীশ্ৰীদুৰ্গা পূজাত ধুতি পাঞ্জাবী পৰিধান কৰি শৰ্মা ডাঙৰীয়াই যোৰহাট নগৰৰ প্ৰায়বিলাক পূজা মন্দিৰত ভক্তিৰ প্ৰনিপাত জনায় আনহাতে গৰখীয়া দ'লৰ শিৱ মন্দিৰটো শিৱৰাত্ৰিৰ সময়ত গৈ তাতো যেন কিবা এটা কৰি দি অংশ গ্ৰহণ কৰিবলৈ ব্যগ্ৰ হৈ পৰা প্ৰায়ে দেখা গৈছিল। ভাদমহীয়া পালনামতে নহয় অন্যসময়টো তেখেতে ধৰ্মীয় সাজ-পোছাক পৰিধান কৰি চেকীয়াখোৱা ৰবনামঘৰৰ নামঘৰীয়াই বাতিপুৱা মন্দিৰৰ দুৱাৰ খোলাৰ লগে লগে ভক্তিৰ প্ৰনিপাত জনায় সেৱা কৰেগৈ। বিজ্ঞান তথা কাৰিকৰী শিক্ষাৰে উচ্চশিক্ষিত এজন লোকে সদায় ধৰ্মীয় ৰীতি নীতিখিনি ভিতৰে বাহিৰে ৰজায় ৰখাত তেখেত অতি আগ্ৰহী আছিল। ধৰ্মীয় গোড়ামি তেখেতৰ কিন্তু মুঠেই নাছিল। তেখেতে

সকলো ধৰ্মীয় অনুষ্ঠানত বা উৎসৱত মুক্তাল মনে যোগ-দান কৰি অফুৰন্ত আনন্দ উপভোগ কৰিছিল।

আগতেই উল্লেখ কৰা হৈছে যে গড়মূৰ অঞ্চলৰ প্ৰতিটো অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত তেখেতে সক্ৰিয় সহযোগ আগ-বঢ়াই মুখ্য ভূমিকা গ্ৰহণ কৰিবলৈ সদায় প্ৰস্তুত আছিল। গড়মূৰ অঞ্চলৰ বাহিৰে বেতিয়া মুক্তিযোদ্ধা সমাজসংস্কাৰক এসময়ৰ গড়মূৰীয়া সত্ৰাধিকাৰ ৺পীতাম্বৰ গোস্বামী দেৱৰ স্মৃতি ৰক্ষাৰ্থে শৰ্মা দেৱৰ লগত আলোচনা কৰোতে তেখেতে উৎসাহেৰে তাৰ নেতৃত্ব দিবলৈ আগবাঢ়ি গৈছিল। তেখেতৰ যত্নতে অভিযান্ত্রিক মহাবিদ্যালয়ৰ পথৰ পৰা স্বৰ্গীয় গোস্বামী প্ৰভুৰ সমাধিলৈ যোৱা পথটো পীতাম্বৰ দেৱ গোস্বামী পথ বুলি নামাকৰণ কৰাটো গড়কাপ্তানী বিভাগে ঘোষণা কৰে। আনকি গড়মূৰ অঞ্চলত পীতাম্বৰ দেৱ গোস্বামী স্মৃতি সভাৰ সভাপতি আছিল ব্ৰজেন্দ্ৰ শৰ্মা তাওবীয়া। মৃত্যু সময়লৈকে তেখেতে সেই দায়িত্ব বহন কৰিছিল। চাৰিগাওঁ সাহিত্য সভাৰ লগতো শৰ্মা তাওবীয়া সদায় ওতঃপ্ৰোতভাৱে জড়িত আছিল। তেখেত চাৰিগাওঁ সাহিত্য সভাৰ সক্ৰিয় সদস্য আছিল। যোৱা দুবছৰ মানৰ আগতে চাৰিগাওঁ সাহিত্য সভা তথা অসম সাহিত্য সভাৰ সৌজন্যত উদযাপিত হোৱা সেই অঞ্চলৰ বাচিৰজিয়া প্ৰসিদ্ধ সাহিত্যিক স্বৰ্গীয় যাদেৱৰ [illegible] শতবাৰ্ষিকী উৎসৱত স্মৃতি প্ৰহৰী উন্মোচন কৰি শৰ্মা তাওবীয়াই এটুকু [illegible] এক গুৰুত্বপূৰ্ণ ভাষণ দিছিল। 'ইয়াকেইবাৰ [illegible] শৰ্মা [illegible] [illegible] [illegible] নানা সামাজিক তথা উন্নয়নমূলক অনুষ্ঠান প্ৰতিষ্ঠানৰ

লগত অতি ঘনিষ্ঠ ভাবে জড়িত আছিল। যোৰহাটৰ প্ৰসিদ্ধ ক্লাব "ত্ৰিবেণী"ৰ সৌজন্যত ১১।৪।৮২ তাৰিখে যোৰহাট ষ্টেডিয়ামত অনুষ্ঠিত হোৱা "ডাবল উইকেট ক্ৰিকেট" খেলখন শৰ্মা ডাঙৰীয়া পৰিচালনা সমিতিৰ উপসভাপতি আছিল তেখেতে যি কোনো অনুষ্ঠান প্ৰতিষ্ঠানত বিষয় ববীয়াৰ অকল নামটোলৈয়ে ভাল নাপাইছিল। অন্তৰৰ পৰা একাগ্ৰতাৰে দেহে কেহে খাতি শাৰীৰিক তথা আৰ্থিক ভাবে সহায় সহানুভূতি আগবঢ়াবলৈ পালেহে প্ৰকৃততে সন্তোষ লাভ কৰিছিল।

শ্ৰদ্ধেয় শৰ্মা ডাঙৰীয়া আছিল এজন ভাল খেলুৱৈ। তেখেতৰ আটাইবোৰ খেলতে ৰাপ থাকিলেও তেখেত আছিল উচ্চখাপৰ এজন বেডমিন্‌টন খেলুৱৈ। সৌ সিদিনালৈকে তেখেতে সুখ্যাতিৰে বেডমিনটন খেলি ভূয়সী প্ৰশংসা অৰ্জন কৰিবলৈ সমৰ্থ হৈছিল। সেয়ে নহয় জীৱনৰ ভাটীবেলাৰ ৫৯ বছৰ বয়সতো তেখেতে শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰ সোৱঁৰণী বেডমিন্‌টন (ডাবলচ) প্ৰতিযোগিতাত চেম্পিয়নশ্বিপ অৰ্জন কৰি খ্যাতি অৰ্জন কৰিবলৈ সমৰ্থ হৈছিল। অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ চৌহদতে বছৰ জুৰি পাৰবে অনুষ্ঠিত হোৱা প্ৰত্যেক খেলতে, খেল পৰিচালনা সভাবোৰৰ লগত তেখেতে জড়িত হৈ থাকি ভাল পাইছিল। [illegible] খেলুৱৈয়ে নহয়, শৰ্মা ডাঙৰীয়া আছিল এজন [illegible] [illegible] নগাওঁ নাট্য [illegible] [illegible] [illegible] [illegible] [illegible] আছিল। [illegible] [illegible] [illegible] [illegible] নগাওঁ: নাট্যমন্দিৰ [illegible] [illegible]

আৰু সময় সুবিধা অনুসৰি অভিনয় কৰাটো তেখেতৰ চখ আছিল। মহাবিদ্যালয়ত সময়ে সময়ে অনুষ্ঠিত হোৱা নাটক প্ৰতিযোগিতা বা আন সাংস্কৃতিক অনুষ্ঠানত সদায় বহুমূলীয়া দিহা পৰামৰ্শ আগবঢ়ায় সকলোকে প্ৰেৰণা যোগাইছিল। ১৯৭৩ চনত যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ শিক্ষক সকলৰ দ্বাৰা অভিনীত "অভিনেতা লাগে" নামে নাটকত শৰ্মা ডাঙৰীয়াই অভিনয় কৰি ভূয়সী প্ৰশংসা লাভ কৰিবলৈ সমৰ্থ হৈছিল। তেখেতৰ সেই অভিনয় উপভোগ কৰা সকলে আজিও পাহৰিব নোৱাৰে।

একেধাৰে শিক্ষাবিদ, সমাজসেৱক, সংগঠক, শ্ৰেষ্ঠ খেলুৱৈ আৰু সুনিপুন অভিনেতাৰূপে খ্যাতি অৰ্জন কৰিবলৈ সমৰ্থ হোৱা শ্ৰদ্ধেয় শৰ্মা ডাঙৰীয়া আছিল এজন দক্ষ প্ৰশাসকো। প্ৰায় ছবছৰ কাল তেখেতে যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ অধ্যক্ষৰ পদত অধিষ্ঠিত হৈ আছিল। তেখেতে মহাবিদ্যালয় খনিৰ এটা নতুন ৰূপ দিয়াৰ সপোন ৰচি সাধ্যানুসাৰে সকলো দিশতেই মনপ্ৰাণ দি, আন্তৰিকতাৰে সকলোকাম সুচাৰুৰূপে সমাধা কৰিবলৈ সমৰ্থ হৈছিল। অধ্যক্ষ হিচাবে কাৰ্য্য-নিৰ্বাহ কৰোতে তেখেতৰ কোমল অন্তৰৰ বাবে বহুক্ষেত্ৰত প্ৰয়োজন সাপেক্ষে কঠোৰ ব্যৱস্থা লবলৈ কেতিয়াবা অপাৰগ হোৱাটো অৱশ্যে প্ৰশাসনীয় দুৰ্বলতা বুলি অভিমত তথা আলোচনা সমালোচনাই ঠাই পালেও, প্ৰকৃতাৰ্থত তেখেত মানুহজন আছিল নীতি বিৰুদ্ধ বুলি জনা সকলো কামৰ বাবে ধীৰ স্থিৰ ভাবে প্ৰত্যাহ্বান জনাব পৰা ব্যক্তি। সদায় গতিকে কোনো হাতেই নিজা নীতি বিৰুদ্ধ কাম কৰিছিল সেই কথাটো

এক অভিনৱ পদ্ধতিৰে তেওঁক শাসন কৰিবলৈ সমৰ্থ হৈছিল। কাৰোবাক কেতিয়াবা কৰ্তব্যৰ খাতিৰত টান কথা বা বাক্য ব্যৱহাৰ কৰিব লগা হলেও তাৰ পিছতে তেওঁক মাতি আনি বন্ধুৰ দৰে সৎ পৰামৰ্শ দিবলৈও তেখেতে কেতিয়াও কুণ্ঠাবোধ নকৰিছিল। অধ্যক্ষ হিচাবে শৰ্মা ডাঙৰীয়াই কাৰ্য্যনিৰ্ব্বাহ কৰাৰ সময়তে মহাবিদ্যালয়ৰ গৱেষণাগাৰ বোৰত বহুতো আধুনিক যন্ত্ৰপাতিৰ 'কম্পিউটাৰ' স্থাপন কৰি মহাবিদ্যালয়ত 'Production Engineering নামৰ বিভাগটো নতুনকৈ আৰম্ভ কৰাৰ বাবে আৱশ্যকীয় ব্যৱস্থা [illegible] [illegible] হৈছিল। তেখেতৰ যত্নতে যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়ত ১৯৮৫ চনৰ জুন মাহৰ [illegible] তাৰিখৰ পৰা ১৫ তাৰিখলৈকে [illegible] কম্পিউটাৰৰ বিষয়ে এখন চেমিনাৰ অনুষ্ঠিত হৈছিল। অধ্যক্ষ শৰ্মা ডাঙৰীয়াই ১৯৮১ চনৰ ১৬ জানুৱাৰীত অনুষ্ঠিত হোৱা "Seminer on Engineering Manpower" ত অংশগ্ৰহণ কৰি "Technical Education and Manpower planning and Academician's view points" নামৰ এখন অতি গুৰুত্বপূৰ্ণ পেপাৰ দাখিল কৰিছিল। তেখেতে তাত উল্লেখ কৰিছিল "The North Eastern Region lags much behind the other parts of the country in the growth of employment oriented large scale and medium Scale Industries. The fertiliser complex, the drilling pumping, production and transportation of oil resource are highly sophisticated techno-

logy and cannot be easily considered as employment oriented. These industries demand well trained experienced hand for all level of working's and as such the product of the state technical institutions to be able to met not only the future manpower demand but also to rationalise the existing curiculam to meet the demands of the various available jobs............ further the necessity for reorganisation and rationalisation of the existing institution and to add a few new institutions the diploma level to cater to the need of the diversified engineering establishments তাৰোপৰি শিক্ষানুষ্ঠান বিলাকত ভোগ কৰা কিছুমান অসুবিধাৰ কথা উপলব্ধি কৰি তেখেতে কৈছিল "Within the limitations and constraints of the existing directorate and the technical institutions it would be simply impossible to fully achieve the desired goal. The entire administrations set-up the technical-education, as it stands to-day, is essentially a borrowed system from the days of the British, ... the Directorate of Technical Education is only treated as a Co-ordinator between the Engineering Colleges and the Govt. The Govt. also does not necessarily act on the advice of the Director or the Principal তেখেতে আৰু কৈছিল, "But with the phenomen-

tal growth of engineering institution, both in respect of establishment and students there is an urgent-need for rethinking. The entire set-up of administration of engineering institutions needs modernisation. Some Institutions particularly the I, T, I's have evoloved a distinct administrative system different from the typical British pattern.... It is high time that we accept the reality of the situation and develope the responsibility on the person most suited for the Job.

কাৰিকৰী শিক্ষানুষ্ঠান বিলাকত শিক্ষকতা কৰিবৰ কাৰণে উপযুক্ত লোকৰ অভাবৰ কথা আক্ষেপেৰে তেখেতে অনুভৱ কৰিছে এইদৰে। "The background note correctly reflects the present tendency of engineering graduates opting out for better opportunities in the private scactor offering higher scales with more and more perks. This has become all the more acute in the engineering colleges for obvious reasons. This particular aspects of the mobility of engineering graduates from lower to higher income and from less lucrative jobs to more lucrative jobs should be probed in greater detail and positive remedial-measures taken promptly". বৰ্ত্তমান অসমৰ কেমিকেল ইঞ্জিনিয়াৰীৰ শিক্ষা পদ্ধতি আশোবাহপূৰ্ণ বুলি তেখেতে মত পোষণ কৰিছিল এনেধৰণে। "The

chemical engineering department of Assam Engineering College if necessary should be remodelled to meet the need of the refineries, Petro-Chemical undertakings and other organisations, Where process instrumentations and control is a major requirement. In more industrial states the demand for mechanical engineering graduates is much higher than in other branches". কাৰিকৰী শিক্ষা পদ্ধতি কেনেকৈ আৰু উন্নত ধৰণে দিব পৰা যায় তাৰ বিষয়েও মত পোষণ কৰিছিল। "It therefore needs a Scientific and Co-ordinated approach to arrive at a correct picture of our future technical manpower. This can be achieved if we organise a training and placement department under the guidence of the directorate to start with, such an organised department would than be in a position to relate the out put from the various technical institutions to the need of the industries and their employment agencies. It is therefore necessary to integrate academic work with industrial experience in co-operation with the industry. Industry and the technical insti

tutions should jointly plan the practical training programme to achieve its maximum intigration with class room students. Industry must be encouraged to accept the partnership in engineering education, as a part of its social responsibility. In order to achieve such a co-ordination, it is important to establish a co-ordinating agency which will work as a liaison between industrial establishment and technical institution. This will greatly contribute towards improving the quality of technical personnel by up dating course content and by introducing new and inter desciplinary courses with industrial orientation. অসমৰ কাৰিকৰী শিক্ষানুষ্ঠান বিলাকৰ বাবে শিক্ষাবিদ গৰাকীয়ে এখন আঞ্চলিক কাৰিকৰী বিশ্ববিদ্যালয়ৰ যে অত্যন্ত প্ৰয়োজন সেইকথা তেখেতে উপলব্ধি কৰি মত পোষণ কৰিছিল এইদৰে, "I would suggest the setting up of a Regional Engineering University, which having the necessary autonomy if deserves may co ordinate the teaching and control of standards of all Engineering Colleges in this region".

অধ্যক্ষ গৰাকীৰ উক্ত ভাৱধাৰা যে অত্যন্ত প্ৰয়োজনীয় তাত হয়তো কাৰো দ্বিমত নহব। কিন্তু এইখিনি বাস্তৱত কেনেকৈ ৰূপায়িত হয় তাক কোনে জানে?

শ্ৰদ্ধেয় শশী শৰ্মাদেৱে অভিযান্ত্ৰিক মহাবিদ্যালয়ত অধ্যক্ষ হিচাবে কাৰ্য্যনিৰ্বাহ কৰা সময়তে ১৯৮৫ চনত মহাবিদ্যালয়খনি প্ৰতিষ্ঠিত হোৱা পঁচিশ বছৰ সম্পূৰ্ণ হোৱাত ৰূপালী জয়ন্তী উৎসৱ মহাসমাৰোহেৰে উদ্‌যাপন কৰা কথা আছিল সেই বছৰৰ ডিচেম্বৰ মাহত। তাৰ কাৰণে তেখেতে দেহে কেহে যত্ন কৰিছিল আৰু ৰূপালী জয়ন্তীৰ কাৰণে প্ৰাৰম্ভিক ভালেখিনি কামত আগবাঢ়িছিল। কিন্তু অতি দুৰ্ভাগ্য যে তেখেতে সেই ৰূপালী জয়ন্তী উৎসৱ সশৰীৰে উপভোগ কৰিবলৈ নাপালে। যোৱা দুবছৰ মান তেখেতে এক দুৰাৰোগ্য অসুখত ভুগি চিকিৎসাধীন হৈ থাকিব লগা হৈছিল। কিন্তু ১৯৮৪ চনত অসুখ অলপ বেছি হৈ দুৰ্ব্বল হৈ পৰে। প্ৰথমতে যোৰহাট আৰু তাৰ পিছত অসম চিকিৎসা মহাবিদ্যালয়ত চিকিৎসা লয় যদিও স্বাস্থ্যৰ কোনো উন্নতি নোহোৱাত ১৯৮৪ চনৰ এপ্ৰিল মাহত দিল্লীলৈ যায়। তাত তেখেতে The Institute of Medical Scienceত চিকিৎসা গ্ৰহণ কৰে। সেইচিকিৎসালয়ত কিছুদিন চিকিৎসা লোৱাৰ পিছত তেখেতে বোম্বাইৰ Tata Memorial Cancer Institute of Medical Science ত চিকিৎসা গ্ৰহণ কৰেগৈ। বোম্বাইত চিকিৎসা লোৱাত তেখেতে অলপ দিনতে সুস্থ অনুভৱ কৰি ১৯৮৪ চনৰ আগষ্ট মাহত পূৰ্ব্বৰ উদ্যমেৰে অধ্যক্ষৰ

কাৰ্য্যভাৰ গ্ৰহণ কৰি স্বাস্থ্যৰ কথা সম্পূৰ্ণ একলীয়াকৈ থৈ হুবলগা মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী উৎসৱৰ কামত লাগি পৰিছিল যদিও পুনৰ তেখেত অসুস্থ হৈ পৰে। সেয়ে তেখেত পুনৰ বোম্বাইলৈ চিকিৎসাৰ বাবে যাব লগা হয়। ১৯৮৫ চনৰ মে' মাহত তেখেত মহাবিদ্যালয়লৈ ঘুৰি আহে। বিধিৰ কি বিধান! পুনৰ তেখেতে অসুস্থতা অনুভৱ কৰে আৰু জুলাই মাহৰ ৯ তাৰিখে অসম চিকিৎসা মহাবিদ্যালয়ত পুনৰ চিকিৎসাধীন হ'ব লগা হয়। তাত কিছুদিন চিকিৎসা লোৱাৰ পিছত পৰিয়ালবৰ্গৰ আগ্ৰহ ক্ৰমে পুনৰ বোম্বাইলৈ নিবলৈ উপদেশ দিয়ে। ১৯৮৫ চনৰ জুলাই মাহৰ ২৭ তাৰিখে তেখেতক সেই অভিপ্ৰায়ে ডিব্ৰুগড়ৰ পৰা যোৰহাটলৈ অনা হয় যদিও সেই অৱস্থাত তেখেতক আৰু বোম্বাইলৈ নিব পৰা নহ'ল। তাৰ দুদিনৰ পিছত অৰ্থাৎ ২৯ জুলাই তাৰিখৰ দিনা তেখেত ভীষণ ভাৱে অসুস্থ হৈ পৰে। মহাবিদ্যালয়ৰ চৌহদত থকা চিকিৎসকৰ দ্বাৰা তেখেতক oxygen দিয়া হয়। ৩০ জুলাইৰ পুৱা তেখেতক যোৰহাট চিভিল হস্পিতেললৈ চিকিৎসাৰ বাবে নিব লগা হয় যদিও সেয়ে তেখেতৰ জীৱনত শেষ যাত্ৰা আছিল। ১৯৮৫ চনৰ ৩১ জুলাইৰ ৰাতিপুৱা ৭ বাজি ৩০ মিনিটত তেখেতে নশ্বৰ দেহ ত্যাগ কৰি ইহ সংসাৰৰ পৰা বিদায় লয়। বিজুলীবেগে সেই শোকাবহ বাতৰি যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয় তথা যোৰহাট নগৰৰ উপকণ্ঠ অঞ্চলত বিয়পি পৰিল। তেখেতৰ মৃত্যুৰ খবৰ

বিয়ৰপি পৰাৰ লগে লগে অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰী. শিক্ষক, কৰ্মচাৰীবৃন্দ চাপলি মেলিলে বায়ু বেগে সেই চিকিৎসালয়ৰ কালে, য'ত E.N.T. বিভাগৰ এখন বিচনাত শৰ্মা ডাঙৰীয়াৰ প্ৰানহীন দেহাটো এক চিৰ নিদ্ৰাত নিদ্ৰিত হৈ আছিল। গড়মুৰ অঞ্চলৰ তথা যোৰহাট নগৰৰ অগণন তেখেতৰ গুণমুগ্ধ লোকেৰে চিভিল হস্পিতেলৰ ভিতৰখন আক চৌহদটো লোকাৰণ্য হৈ পৰিল। সকলোৰে এটাই মাত্ৰ আশা, সজল নয়নেৰে তেখেতসকলে যেন অন্তৰৰ অতি মৰমৰ আক শ্ৰদ্ধাৰ মানুহজন শশী শৰ্মাদেৱক শেষবাৰৰ কাৰণে অতি ওচৰৰ পৰা চাবলৈ আক শ্ৰদ্ধা জনাবলৈ সক্ষম হয়। মৃতদেহ পুৱা ১০ বজাত এখন মুকলি সুশোভিত ট্ৰাকত মহাবিদ্যালয়ৰ চৌহদলৈ অনা হয়। সেই সময়ত তেখেতৰ গুণমুগ্ধ অজস্ৰ লোক সেই ট্ৰাকৰ পিছে পিছে, চাইকেল, ৰিক্সা, টেক্সি আক অন্যান্য যান-বাহনৰ উপবিও খোজকঢ়া মানুহেৰে গঠিত এটা বিৰাট সমদলৰ উৎপত্তি নিজে নিজেই হৈ গ'ল। অধ্যক্ষৰ বাসভৱনত মৃতদেহ পৰিয়ালৰ লোকসকলৰ শেষ দৰ্শনৰ বাবে ব্যৱস্থা কৰোতে মানুহৰ সমাগম ভিৰ দি বাট পাবলৈ নোপোৱা অৱস্থা হৈছিল। শৰ্মা ডাঙৰীয়াৰ মৃতদেহ পুনৰ ট্ৰাকত লৈ এক শোভাযাত্ৰা আৰম্ভ কৰা হ'ল। মহাবিদ্যালয়ৰ মূল প্ৰশাসনীয় ভৱনৰ সন্মুখত সমস্ত শিক্ষক, কৰ্মচাৰী বৃন্দ আক ছাত্ৰীসকলে অধ্যক্ষজনালৈ শেষ শ্ৰদ্ধা জনালে। মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী উদ্‌যাপন সমিতিৰ হৈ শ্ৰদ্ধেয়

শৰ্মা ডাঙৰীয়াই গঠিত কৰি থৈ যোৱা ব্যক্তি সকলেও সেই মহান ব্যক্তি জনাৰ প্ৰতি শেষ শ্ৰদ্ধা জনালে। অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ আঠোটা ছাত্ৰাবাসৰ অধীক্ষক আৰু ছাত্ৰসকলে শেষ শ্ৰদ্ধা জনাইছিল ছাত্ৰাবাসবোৰৰ সন্মুখত। মহাবিদ্যালয়ৰ শিক্ষক তথা কৰ্মচাৰী সকলৰ বাসভৱনৰ মাজেদি শৰ্মা ডাঙৰীয়াৰ মৃতদেহ লৈ যাওঁতে মৃতকলৈ শেষ শ্ৰদ্ধা জনালে বহুতে। তাৰোপৰি যোৰহাট নগৰৰ মাজেদি মৃতদেহ লৈ সমদল যাত্ৰা কৰোতে তেখেতৰ গুণমুগ্ধ ব্যক্তিসকলৰ শত সহস্ৰ জনে আৰু অনুষ্ঠান প্ৰতিষ্ঠানে। শোভাযাত্ৰাৰ শেষত ভোগদৈ নদীৰ সমীপত মহাবিদ্যালয়ৰ চৌহদৰ ওচৰতে অধ্যক্ষ শৰ্মা ডাঙৰীয়াৰ মৃতদেহৰ শেষকৃত্য সম্পন্ন কৰা হয়। তেখেতৰ প্ৰিয় ছাত্ৰ ছাত্ৰী সহযৰ শিক্ষকমণ্ডলী, কৰ্মচাৰীবৃন্দ আৰু অগণন গুণমুগ্ধ লোকৰ সমাবেশত। চকুৰ পচাৰতে দপদপকৈ জ্বলিছিল পাইয়ো লেলিহান জিভা মেলি অগ্নিয়ে জনাৰ মৃত দেহ পুৰি ছাই কৰি পেলালে, কিন্তু জীয়াই থাকিল মাথো তেখেতৰ স্মৃতি আৰু মহান গুণ যিনি সকলোৰে অন্তৰত, তথা আমাৰ সমাজত।

মৃত্যুৰ সময়ত তেখেতে ইহ সংসাৰত এৰি থৈ গৈছে, বৃদ্ধা মাক, এগৰাকী বাইদেউক সহ তিনিগৰাকী ভনীয়েক, দুজন ভায়েক, বিধবা স্ত্ৰী, একজন পুত্ৰ সন্তান আৰু দুগৰাকী কন্যা সন্তানৰ উপৰিও ডাঙৰ আত্মীয় কুটুম্ব। তেখেতে ১৯৭০ চনৰ ১৯ ফেব্ৰুৱাৰীৰ দিনা শিৱসাগৰৰ নৰেন বৰুৱাৰ বৰ জীয়াৰী শ্ৰীযুক্তা বীনা দেৱীক বিয়া কৰায়। একমাত্ৰ

লবাজনে বৰ্ত্তমান বি, এছ, চি প'ঢ়ি আছে আৰু ড.ভৰ ছোৱালী গৰাকীয়ে এই বছৰ অৰ্থাৎ ১৯৮৫ চনত যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালযৰ পৰা (মেকানিকেল) যান্ত্ৰিক বিভাগত শেষ পৰীক্ষা দিছে। সৰু ছোৱালী গৰাকীয়ে বৰ্ত্তমান হাইস্কুলত পঢ়ি আছে। অধ্যক্ষ শৰ্মা ডাঙৰীয়াৰ মতে ১৯৮৫ চনত মহাবিদ্যালয়ৰ ৰূপালীজয়ন্তী বছৰ, তেখেতৰ চাকৰি জীৱনৰো ৰূপালী জয়ন্তী বছৰ আৰু বৈবাহিক জীৱনৰো ৰূপালী জয়ন্তী বছৰ পৰিছিল। ভাগ্যৰ কি বিৰম্বনা! তেখেতে বিবাহ বাৰ্ষিকীৰ বাহিৰে বাকী দুটা ৰূপালী জয়ন্তী উদ্‌যাপন কৰিবলৈ আৰু নেপালে। কালে তেখেতক আমাৰ মাজৰ পৰা লৈ গল।

অধ্যক্ষ শৰ্মা ডাঙৰীয়াই যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়ত একেৰাহে পঁচিশ বছৰ কাল চাকৰি কৰি মহাবিদ্যালয় খনিৰ যেন প্ৰতিটো বস্তুৰেই অতি আপোন হৈ পৰিছিল। সেয়ে তেখেতে শয়নে সপোনে মহাবিদ্যালয় খনিৰ উন্নতিৰ অৰ্থে অতি আন্তৰিকতা তথা নিষ্ঠাৰে খাটি স্বৰ্গীয় সুখহে যেন লাভ কৰিছিল। প্ৰতি মূহুৰ্ত্ততে তেখেতৰ চকুৰ আগত ভাহি উঠিছিল যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয় খনি, ইয়াৰ ছাত্ৰ ছাত্ৰী সকল, শিক্ষক তথা কৰ্মচাৰী সকল। তেখেতে ছাত্ৰ-ছাত্ৰীক নিজৰ লৰা-ছোৱালীৰ দৰেই মৰম কৰিছিল। শিক্ষক সকলক যাক যেনেকৈ মৰম আৰু আৰু বয়সীয়া সকলক শ্ৰদ্ধা কৰিব লাগে ঠিক তেনে ব্যৱ-

হাৰ কৰিছিল। কৰ্মচাৰী সকলৰ প্ৰতিও তেখেতে মৰম, শ্ৰদ্ধা সমানে অটুত ৰাখিছিল। তেখেতে কাকো বেয়া ব্যৱহাৰ কৰাটো পৰিলক্ষিত নহৈছিল। ছাত্ৰসকলৰ প্ৰতি সদায় তেখেতৰ উপদেশ আছিল ভালকৈ পঢ়া শুনা কৰি যাতে পৰীক্ষাত কৃতকাৰ্য্য লাভ কৰিব পাৰে। অবাবত বা অনাহকত ছাত্ৰ-ছাত্ৰীসকলে পঢ়া শুনা নকৰি ঘূৰা পকা কৰি থকা দেখিলে মাতি আনি সময়মতে অলপ টান কথা শুনাবলৈও অৱশ্যে বেয়া নাপাইছিল। যোৰহাট চিভিল হস্পিতেলত তেখেতৰ অন্তিম সময়টো তাত থকা ছাত্ৰসকলক উদ্দেশ্য কৰি কৈছিল," মোৰ বিশেষ একো হোৱা নাই। মই ভাল পাম। তোমালোকে ক্লাচ খতি নকৰিবা। যোৱাগৈ। ইত্যাদি ইত্যাদি"। সেইদৰে ছাত্ৰ-ছাত্ৰী শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী সকলৰ লাগে তেখেতে যি পৰ্য্যায়ৰে নহওক, প্ৰাপ্যখিনি পোৱাৰ পৰা যাতে কেতিয়াও বঞ্চিত হব লগা নহয় তাৰ বাবেও তেখেতে সদায় চকু দিছিল। আপদে বিপদে গাঁৱৰ তথা সেই অঞ্চলৰ লোকে তেখেতৰ বেতিয়া যেনেকৈ সহায় আৰু নানা দিহা পৰামৰ্শ বিছাৰিছিল সকলোকে তেখেতে কেতিয়াও বিমুখ নকৰিছিল। সেয়ে মূলুৰ নগাওঁৰ পৰা আহি অভিবাস্ত্ৰিক মহাবিদ্যালয়ত জেনেকুৱা এটা জুলাই মাহতে সহকাৰী অধ্যাপক ৰূপে কামত যোগদান কৰি ইয়াত যোৱা পাঁচিশ বছৰ কাল সকলোৰে লগত মিলা-প্ৰীতিৰে থাকি সেই মহাবিদ্যালয়ৰে নহয় উপকণ্ঠ গোটেই অঞ্চলটো তথা

যোৰহাট চহৰৰ একন সৰৱৰহী ব্যক্তি হিচাবে সমাজৰ প্ৰতিটো স্তৰৰ মানুহৰ লগত দ্বিধাহীন ভাবে নিজকে এৰি দিবলৈ পায় আত্মতুষ্টি আৰু নিমল আনন্দ উপভোগ কৰিছিল। মহাবিদ্যালয়ৰ ক্লাচৰ কৰ্ত্তব্যত ব্যস্ত অৱস্থাত তেখেত এজন প্ৰিয় শিক্ষক, অধ্যক্ষৰ আসনত থাকোতে এজন দক্ষ প্ৰশাসক আৰু বাহিৰত তেখেত এজন সকলোৰে যেন 'Friend, philosopher and guide.' এই খিনিতে এটা কথা সুঁৱৰিব পাৰি যে প্ৰকৃতিৰ কবি William Wordsworth ৰ 'To the Skylark' নামৰ কবিতাৰ স্কাইলাৰ্ক চৰাইটোৱে এজন গুণী, জ্ঞানী মানুহৰ দৰে মৰ্ত্ত্যত থকা নিজৰ বাঁহটোৰ পৰা আকাশৰ ফালে উৰি উৰি নেদেখা হোৱাৰ পিছটো পুনৰ সি মৰ্ত্ত্যত থকা নিজৰ আপোন বাঁহটোলৈ ঘূৰি আহি স্বৰ্গ আৰু মৰ্ত্ত্যৰ মাজত এক সু-সমন্বয় ৰক্ষা কৰিছিল। ঠিক অধ্যক্ষ শৰ্মাদেৱেও সমাজৰ উচ্চ থাপৰ অসাধাৰণ ব্যক্তি সকলৰ পৰা একেবাৰে নিম্ন স্তৰৰ বুলি যাক সমাজে আখ্যা দিয়ে সেই সকলৰ লগতো এক যোগসূত্ৰ ৰক্ষা কৰি সু সমন্বয় আৰু মধুৰ সম্পৰ্ক ৰক্ষা কৰি ১৯৮৫ চনৰ জুলাই মাহত নিজৰ চাকৰি জীৱনৰ ৰূপালী জয়ন্তীৰ বয়স অতিক্ৰম কৰি সেই সময়ছোৱাৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক, কৰ্মচাৰী আৰু অগণন গুণমুগ্ধ বাইজৰ অফুৰন্ত মৰম, শ্ৰদ্ধা, ভালপোৱা আৰু সহানুভূতি বোৰ যেন বুকুত বান্ধি কোনোবা এক অজান

ঠাইলৈ অকালতে মাথো ৫৪ বছৰ বয়সত গুছি গ'ল। থাকি গ'ল তেখেতৰ মাথো স্মৃতি আমাৰ মাজত। সেয়ে তেখেত আজি মৰিও অমৰ।

"Type of the wise who Soars,
but never roam
To the kindred points of the heaven
and home
William Wordsworth"